...ক্ষেত্ৰত প্ৰয়োগ কৰা নহয়।

**(x) কেন্দ্ৰীয় বেংকৰ মুদ্ৰানীতি** (Objectives of Monetary Policy)ঃ আমি জানো যে প্ৰতিখন দেশৰে মুদ্ৰা ব্যৱস্থাক একো একোটা কেন্দ্ৰীয় বেংকে নিয়ন্ত্ৰণ কৰে। প্ৰতিখন দেশৰ সমাজৰ সামাজিক, সাংস্কৃতিক, ধৰ্মীয় ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, পিন্ধা, থকা-খোৱাৰ ধৰণ-কৰণ বিলাক পৃথক পৃথক হোৱাত সেৱা-সামগ্ৰীৰ চাহিদাও পৃথক ৰুচি সম্পন্ন হয়। গতিকে দেশখনৰ সকলো দিশৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় বেংকে মুদ্ৰানীতি গ্ৰহণ কৰিব লগাত পৰে। উদাহৰণ স্বৰূপে অনুন্নত অৰ্থনীতি এখনৰ কেন্দ্ৰীয় বেংকৰ মুদ্ৰানীতি আৰু উন্নত অৰ্থনীতি এখনৰ কেন্দ্ৰীয় বেংকৰ মুদ্ৰানীতি নিশ্চয় পৃথক হ'ব। গতিকে মুদ্ৰানীতিৰ পাৰ্থক্যৰ বাবে আভ্যন্তৰীণ বাণিজ্যত কোনো প্ৰভাৱ নপৰিলেও আন্তৰ্জাতিক বজাৰত এনে নীতিৰ পাৰ্থক্যই যথেষ্ট সমস্যাৰ সৃষ্টি কৰে।

ওপৰৰ আলোচনা সমূহৰ পৰাই আমি ক'ব পাৰিম যে আভ্যন্তৰীণ বাণিজ্য আন্তৰ্জাতিক বাণিজ্যৰ পৰা পাৰ্থক্যযুক্ত আৰু দুয়োপ্ৰকাৰ বানিজ্যৰ ক্ষেত্ৰত পৃথক তত্বৰ প্ৰয়োজন আছে।

**1.6.আদাম স্মিথৰ চৰম সুবিধা বা চৰম ব্যয় পাৰ্থক্য তত্ব** (Adam Smith's Theory on "Absolute Advantage or Absolute difference in cost.") ঃ অৰ্থবিজ্ঞানৰ পিতৃস্বৰূপ অৰ্থনীতি আদাম স্মিথে আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত যে পৃথক তত্বৰ প্ৰয়োজন আছে তাক ব্যাখ্যা কৰিবলৈ গৈ

আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কীয় তেখেতৰ বিখ্যাত "চৰম সুবিধা তত্ব" নাইবা চৰম ব্যয়ৰ পাৰ্থক্য তত্বটো আগবঢ়াইছিল। তেখেতে তত্বটো ব্যাখ্যা কৰিবলৈ গৈ কেইটামান অভিধাৰণা (Assumptions) ৰ সহায় লৈছে। এই অভিধাৰণা সমূহ হ'ল—

(i) শ্ৰমিকেই হ'ল উৎপাদনৰ একমাত্ৰ উপাদান।

(ii) শ্ৰমিকৰ সকলো গোট সমগুণসম্পন্ন অৰ্থাৎ প্ৰতিটো গোট শ্ৰমিকৰ উৎপাদন ক্ষমতা সমান সমান।

(iii) দেশ এখনৰ ভিতৰত শ্ৰমিকৰ পূৰ্ণ গতিশীলতা থাকে। কিন্তু এখন দেশৰ পৰা অন্য এখন দেশলৈ শ্ৰমিকৰ গতিশীলতা তেনেই সামান্য।

(iv) যিহেতু উৎপাদনৰ উপাদান মাথোন শ্ৰমিক। গতিকে উৎপাদন কাৰ্য্যত স্থিৰ উৎপাদন ব্যয় বিধি প্ৰযোজ্য হৈ থাকে।

(v) শ্ৰমিকৰ মাজত মুক্ত প্ৰতিযোগিতা বিৰাজমান।

(vi) বাণিজ্যৰ দিশতেই হওক বা উৎপাদন দিশতেই হওক কোনো ধৰণৰ চৰকাৰী হস্তক্ষেপ নেথাকে।

(vii) উৎপাদন আৰু উপাদান দুয়োবিধ বজাৰত পূৰ্ণ প্ৰতিযোগিতা বিৰাজমান।

(viii) কোনো ধৰণৰ পৰিবহন ব্যয় নেথাকে।

(ix) দেশ দুখন আৰু সামগ্ৰী দুবিধ।

(x) প্ৰতিবিধ সামগ্ৰীৰ নিজা নিজা গোটবোৰ সদৃশ আৰু সমগুণ সম্পন্ন।

ওপৰৰ অভিধাৰণা সমূহৰ সহায় লৈ স্মিথে মত পোষণ কৰিছিল যে দুখন দেশৰ মাজত লাভজনক ভাৱে আন্তৰ্জাতিক বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিবলৈ হ'লে দেশ দুখনৰ এখনে এবিধ সামগ্ৰী উৎপাদনত চৰম ব্যয় সুবিধা লাভ কৰিব লাগিব আৰু অন্যখন দেশে অন্য এবিধ সামগ্ৰী উৎপাদনত চৰম (absolute) ব্যয় সুবিধা লাভ কৰিব লাগিব। স্মিথৰ মতে দেশ এখনে যিটো সামগ্ৰী নিম্নতম ব্যয় কৰিয়েই উৎপাদন কৰিব পাৰে তেনে সামগ্ৰী উৎপাদন কৰিব আৰু যিটো সামগ্ৰী উৎপাদনত অধিক ব্যয় হয়, কিন্তু বিদেশৰ পৰা কম ব্যয়তে লাভ কৰিব পাৰে তেনে সামগ্ৰী বিদেশৰ পৰাই আমদানি কৰিব। এটা উদাহৰণৰ সহায়ত

আদাম স্মিথৰ চৰম সুবিধা তত্বটো ব্যাখ্যা কৰিব পাৰি। ধৰা হওক দেশ দুখন। এখন ভাৰতবৰ্ষ আৰু আনখন বাংলাদেশ। সামগ্ৰী দুবিধ, ধান আৰু মৰাপাট। তালিকাৰ সহায়ত আমি ব্যাখ্যাটো সহজ কৰিব পাৰো।

| তালিকা নং 1 | | | |
|---|---|---|---|
| দেশ | ধান | মৰাপাট | শ্ৰমিক |
| ভাৰত | 2 কুইন্টল | 1 কুইন্টল | 1 জন শ্ৰমিক |
| বাংলাদেশ | 1 কুইন্টল | 2 কুইন্টল | 1 জন শ্ৰমিক |

ওপৰৰ তালিকাৰ পৰা বুজিব পাৰি যে, ভাৰতবৰ্ষত 1 জন শ্ৰমিক নিযুক্তি দি হয় 2 কুইন্টল ধান নহয় 1 কুইন্টল মৰাপাট উৎপাদন কৰিব পাৰে। অন্যহাতে বাংলাদেশত এজন শ্ৰমিক নিযুক্তি দি এক কুইন্টল ধান নাইবা দুই কুইন্টল মৰাপাট উৎপাদন কৰিব পাৰি। এতেকে দেখা পোৱা গ'ল যে ভাৰতে ধান কম খৰচতে উৎপাদন কৰিব পাৰে আৰু বাংলাদেশে মৰাপাট কম খৰচতে উৎপাদন কৰিব পাৰে। গতিকে ভাৰতবৰ্ষই অকল ধান উৎপাদন আৰু বাংলাদেশে মাথোন মৰাপাট উৎপাদন কৰি দুয়োখন দেশৰ মাজত আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি বিনিময় সাধন কৰিলে দুয়োখন দেশ লাভৱান হ'ব পাৰিব। ভাৰতবৰ্ষই নিজে মৰাপাট উৎপাদন কৰিলে এক কুইন্টল মৰাপাট উৎপাদন কৰিব পাৰিব। কিন্তু বাংলাদেশৰ পৰা আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি দুই কুইন্টল মৰাপাট লাভ কৰিব। অৰ্থাৎ আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি ভাৰত লাভবান হব পাৰিব। পুনৰ বাংলাদেশে দুই কুইন্টল মৰাপাটৰ সলনি এক কুইন্টল ধান ল'বলৈ প্ৰস্তুত থাকে কিন্তু ভাৰতে এক কুইন্টল মৰাপাটৰ সলনি দুই কুইন্টল ধান দিবলৈ প্ৰস্তুত থাকে বাবে আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি বাংলাদেশ লাভ বান হবলৈ সক্ষম হ'ব। অৰ্থাৎ আন্তৰ্জাতিক বাণিজ্যৰ যোগেদি দুয়োখন দেশ লাভবান হ'ব।

স্মিথৰ ব্যাখ্যাৰ পৰা তলত দিয়াৰ দৰে বাণিজ্য হাৰ নিৰ্দ্ধাৰণ কৰিব পাৰি -

(i) ভাৰতৰ নিজৰ মাজতে বিনিময় হাৰ -

2 কুইন্টল ধানৰ সলনি 1 কুইন্টল মৰাপাট

অথবা 1 " " " 0.5 " "

অথবা 1 " মৰাপাটৰ " 2 " ধান

(ii) বাংলাদেশৰ নিজৰ মাজতে

1 কুইন্টল ধান = 2 কুইন্টল মৰাপাট

1 কুইন্টল মৰাপাত = $\frac{1}{2}$ কুইন্টল ধান

ভাৰতে পাব বিচাৰে -1 কুইন্টল ধানৰ সলনি $\frac{1}{2}$ কুইন্টল মৰাপাট

বাংলাদেশে দিয়ে $\frac{1}{2}$ কুইন্টল ধানৰ সলনি 2 কুইন্টল মৰাপাট

∴ ভাৰতৰ লাভ $= 2 - \frac{1}{2} = 1\frac{1}{2}$ কুইন্টল মৰাপাট


পুনৰ বাংলাদেশে পাব বিচাৰে =1 কুইন্টল মৰাপাটৰ সলনি $\frac{1}{2}$ কুইন্টল ধান

বাংলাদেশে পায় = 1 কুইন্টল মৰাপাটৰ সলনি 2 কুইন্টল ধান

∴ বাংলাদেশৰ লাভ $= 2 - \frac{1}{2} = 1\frac{1}{2}$ কুইন্টল ধান

পুনৰ আদাম স্মিথৰ চৰম ব্যয় সুবিধা তত্বটো তলৰ চিত্ৰৰে ব্যাখ্যা কৰিব পাৰি -

চিত্ৰনং 1.1





ধানৰ উৎপাদন

চিত্ৰ নং 1 অত OX অক্ষৰে 1 গোট শ্ৰমিক ব্যৱহাৰ কৰি দুয়োখন দেশে কৰিব পৰা ধান উৎপাদনৰ পৰিমানক প্ৰকাশ কৰিছে। পুনৰ OY অক্ষৰে 1 গোট শ্ৰমিক ব্যৱহাৰ কৰি দুয়োখন দেশে উৎপাদন কৰিব পৰা মৰাপাট

উৎপাদনৰ পৰিমানক প্ৰকাশ কৰিছে। চিত্ৰত Curve A বাংলাদেশৰ উৎপাদন সম্ভাব্য ৰেখা আৰু Curve B ভাৰতবৰ্ষৰ উৎপাদন সম্ভাব্য ৰেখা ।

চিত্ৰ নং ২ ৰ যোগেদি দুয়োখন দেশৰ দিব খোজা বিনিময় হাৰ বোৰক প্ৰকাশ কৰিব পাৰি।

চিত্ৰ নং ২




ওপৰৰ চিত্ৰটো চালে দেখা যায় যে ভাৰতে 1 কুইন্টল ধান দি $\frac{1}{2}$ কুইন্টল মৰাপাট পাব বিচাৰে। কিন্তু বাংলাদেশে 1 কুইন্টল ধানৰ বিনিময়ত 2 কুইন্টল মৰাপাট দিয়ে, গতিকে ভাৰতৰ লাভ হয়।

পুনৰ বাংলাদেশে 1 কুইন্টল মৰাপাট দি $\frac{1}{2}$ কুইন্টল ধান পাব বিচাৰে কিন্তু ভাৰতে 2 কুইন্টল ধান দিয়াত বাংলাদেশৰো লাভ হয়।

স্মিথৰ খৰচৰ চূড়ান্ত পাৰ্থক্য (Absolute differences in cost) তত্বটো বুজিবলৈ সহজ। দুখন দেশৰ মাজত কেনেদৰে আন্তৰ্জাতিক বাণিজ্য সম্ভৱ হ'ব পাৰে তাক তেখেঁতে অতি সৰল ব্যাখ্যাৰে ব্যাখ্যা কৰিছে। হলেও তেখেতৰ তত্বটো সমালোচনা মুক্ত নহয়। তলত তেনে কেইটামান সমালোচনা আগবঢ়োৱা হ'ল —

(1) স্মিথৰ খৰচৰ চুড়ান্ত পাৰ্থক্য তত্বটোত এখন দেশে এবিধ সামগ্ৰী উৎপাদনত আৰু আনখন দেশে আন এবিধ সামগ্ৰী উৎপাদনত চৰম সুবিধা লাভ কৰা অৱস্থাতহে আন্তৰ্জাতিক বাণিজ্য কেনেদৰে লাভজনক তাক ব্যাখ্যা কৰিছে। কিন্তু কোনোখন দেশেই যদি কোনোবিধ সামগ্ৰী উৎপাদনত চৰম সুবিধা লাভ নকৰে তেনেহলে দেশ দুখনৰ মাজত আন্তৰ্জাতিক বাণিজ্য সম্ভৱ হ'বনে নহয় তাক স্মিথে ব্যাখ্যা কৰিব পৰা নাই।

(2) স্মিথৰ তত্বটোত মাথোন শ্ৰমকহে উৎপাদনৰ উপাদান হিচাবে গণ্য কৰিছে। তেখেতৰ মতে "Labour is the only factor of Production and the value of a commodity is proportional to the quantity of Labour required in its production." বাস্তৱতে মাথোন শ্ৰমেই উৎপাদনৰ উপাদান নহয়।

(3) স্মিথৰ মতে শ্ৰমৰ প্ৰতিটো গোট সদৃশ আৰু সমজাতীয় কিন্তু বাস্তৱত শ্ৰমৰ গোটসমূহ সদৃশ বোলাটো অমূলক ধাৰণা।

(4) দেশ এখনৰ ভিতৰত শ্ৰমৰ গতিশীলতা বেছি পুনৰ দুখন দেশৰ মাজত শ্ৰমৰ গতিশীলতা কম, কথাষাৰ কেতিয়াবা কেতিয়াবা শুদ্ধ নহ'বও পাৰে। কেতিয়াবা ইয়াৰ ঠিক ওলোটা অৱস্থা এটাও ঘটিব পাৰে। উদাহৰণ স্বৰূপে দিল্লীৰ পৰা উত্তৰ পূৰ্বাঞ্চলত কৰ্মসংস্থাপন বিচাৰি অহা লোক কম ওলাব। তাৰ তুলনাত আমেৰিকা, ইংলেণ্ডত কৰ্মসংস্থাপন বিচৰা লোক দিল্লীত বেছি ওলাব।

(5) উৎপাদন কাৰ্য্যত স্থিৰ উৎপাদন বিধি প্ৰযোজ্য, কথাষাৰৰ বাস্তৱ ভিত্তি দেখা পোৱা নেযায়। বাস্তৱত উৎপাদন কাৰ্য্যত ক্ৰমহ্ৰাসমান বা ক্ৰবৰ্দ্ধমান উৎপাদন বিধিহে দেখা পোৱা যায়।

(6) সামগ্ৰীৰ পৰিবহন ব্যয় শূন্য বুলি ক'ব পৰা নেযায়। প্ৰকৃততে পৰিবহন ব্যয়ে সামগ্ৰীৰ দামৰ ওপৰত প্ৰভাৱ পেলাব পাৰে।

(7) স্মিথে চৰকাৰী হস্তক্ষেপৰ বিৰুদ্ধিতা কৰিছে। প্ৰকৃততে উৎপাদন-বিতৰণ আদি কাৰ্য্যত চৰকাৰী হস্তক্ষেপৰ প্ৰয়োজন আছে।

এনেদৰে বিভিন্ন দিশৰ পৰা আদাম স্মিথৰ খৰচৰ চূড়ান্ত পাৰ্থক্য তত্বটো সমালোচনা কৰিলেও এই তত্বৰ মূল্য অৰ্থ বিজ্ঞানত সদায়েই স্বীকাৰ কৰিব লাগিব। কিয়নো আন্তৰ্জাতিক বাণিজ্যত কি কাৰণেনো পৃথক তত্বৰ প্ৰয়োজন, তাক ব্যাখ্যা কৰিবলৈ গৈ তেওঁ আগবঢ়োৱা এই তত্বটোৱেই আন্তৰ্জাতিক বাণিজ্য সম্পৰ্কীয় আলোচনাৰ দুৱাৰ মুকলি কৰি দিলে। তেখেতৰ তত্বটোত দেখা পোৱা অসুবিধাবোৰ দুৰ কৰিবলৈ গৈ ডেভিদ ৰিকাৰ্ডোৱে তেখেতৰ বিখ্যাত তুলনামূলক ব্যয়ৰ পাৰ্থক্য (Comparative cost differences) তত্বটো আগবঢ়াবলৈ সমৰ্থ হয়। যেতিয়া এখন দেশে দুয়োটা সামগ্ৰী অন্যখন দেশৰ তুলনাত কম খৰচত উৎপাদন কৰিব পাৰে নাইবা প্ৰথমখন দেশৰ তুলনাত